জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩১৯/২০২১**

# ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ তিনিখন লাইফ কেয়াৰ ছাপোৰ্ট এম্বুলেঞ্চৰ ফ্লেগ অফ কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১১ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কইনাধৰাস্থিত ৰাজ্যিক অতিথিশালাৰ বাকৰিত আয়োজিত এক অনুষ্ঠানত ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ লাইফ কেয়াৰ ছাপোৰ্ট এম্বুলেঞ্চ সেৱাৰ অধীনত তিনিখন এম্বুলেঞ্চৰ ফ্লেগ অফ কৰে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় ঘাইপথত জৰুৰীকালীন অৱস্থাত যাত্ৰী অথবা ৰোগীৰ সহায়ৰ বাবে ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে প্ৰতি ৬০ কিঃমিঃ অংশৰ বিপৰীতে একোখনকৈ এম্বুলেঞ্চ প্ৰদান কৰিব আৰু এই এম্বুলেঞ্চে দিনটোৰ ২৪ ঘণ্টাই সেৱা আগবঢ়াব। এই উদ্দেশ্যে প্ৰাধিকৰণে ৰাজ্যখনত ১১ খনকৈ এম্বুলেঞ্চৰ সেৱা আগবঢ়াব। আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ইয়াৰে প্ৰথম তিনিখন এম্বুলেঞ্চ আনুষ্ঠানিকভাৱে ৰাইজৰ সেৱাত উছৰ্গা কৰে।

এই অনুষ্ঠানত ক্ৰীড়া, সাংস্কৃতিক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী বিমল বৰা, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্তমল্ল বৰুৱা, অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰৰ লগতে ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**১১-১০-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in